উদ্যোগিক বিপ্লৱে ভাৰতীয় বাণিজ্যৰ সমগ্ৰ গতি সলনি কৰিছিল।

- ইংলেণ্ডৰ চাহিদা পূৰণ কৰিবলৈ ভাৰতত বাণিজ্যিক ভিত্তিত কৰাকৃষিক উৎসাহ প্ৰদান কৰা হৈছিল। ইয়াৰ ফলত ভাৰতীয় পৰম্পৰাগত হস্তশিল্পৰ উদ্যোগ বেয়াকৈ ক্ষতিগ্ৰস্ত হৈছিল।

  ব্ৰিটিশে ১৭৯৩ চনত ভূমি আইন প্ৰৱৰ্তন কৰে। বংগ আৰু দেশৰ একাংশ পূৱ এলকাত স্থায়ীসংস্থাপন প্ৰৱৰ্তন কৰা হৈছিল। এই আইন অনুসৰি জমিদাৰী আৰু ৰায়তোৱাৰী প্ৰথাৰ সৃষ্টি হৈছিল।
- স্বাধীনোত্তৰ অৰ্থনীতিক মুলত ঃ তিনি ভাগত ভগাব পাৰি-স্বাধীনতাৰ সময়ৰ পৰা ১৯৯০ চনলৈকে প্ৰথম পৰ্যায়, নতুন অৰ্থনৈতিক আঁচনৰ প্ৰৱৰ্তনৰ পৰা দ্বিতীয় পৰ্যায়ৰ আৰম্ভণি হৈছিল আৰু বৰ্তমান আমি উপনীত হৈছো তৃতীয় পৰ্যায়ত যত প্ৰচলিত ব্যৱস্থাৰ সালসলনি ঘটাই নতুন পদ্ধতি গঠন কৰা হৈছে।
- প্ৰথম পৰ্যায়ত ভাৰতৰ নীতি নিৰ্ধাৰকসকলে অথচ্ছনৈতিক উন্নয়নৰ বাবে ৰাজ্যসমূহক জৰিত কৰিএক গণতান্ত্ৰিক প্ৰক্ৰিয়া গ্ৰহণ কৰে। সমাজবাদী নীতিৰ অনুপ্ৰেৰণাত ভাৰতত এই আঁচনিসমূহ গ্ৰহণ কৰা হৈছিল।
- দ্বিতীয় পৰ্যায়ত উদাৰীকৰণ আৰু ব্যক্তিগতকৰণৰ নীতি প্ৰৱৰ্তন কৰিআগশাৰীৰ ৰাজনীতিসকলে দেশত অৰ্থনৈতিক সংস্কাৰৰ বাট মুকলি কৰিছিল।
- প্ৰথম আৰু দ্বিতীয় পৰ্যায়ৰ নিম্নমুখী দৃষ্টিভংগীৰ পৰিৱৰ্তে তৃতীয় পৰ্যায়ত উৰ্ধমুখী দৃষিশটভংগী গ্ৰহণ কৰা হৈছিল। পঞ্চায়তীৰাজ ব্যৱস্থাৰ ওপৰত গুৰুত্ব প্ৰদান কৰিএকধৰণৰ হস্তক্ষেপমূলক নীতিৰে অৰ্থনৈতিক বিকাশৰ সুফল সাধাৰণ মানুহৰ দুৱাৰডলিলৈ অনাৰ প্ৰয়াস গ্ৰহণ কৰা হৈছিল।
- অৰ্থনৈতিক উদাৰীকৰণে ব্যক্তিগত খণ্ডৰ দায়িত্ব আৰু ভূমিকা বৃদ্ধি কৰাৰ লগতে অৰ্থনৈতিক লেন দেনত চৰকাৰী নিয়ন্ত্ৰণ কমাই অনা হৈছিল।
- সহজ ভাষাত, গোলকীকৰণ হৈছে বিশ্বজুৰি স্বতস্ফূৰ্ত আৰু সংঘৱদ্ধভাৱে সামগ্ৰী,সেৱা আৰু মানুহৰ মুক্ত গতিবিধি।
- ৰাজহুৱা ক্ষেত্ৰৰ ব্যৱসয়াৰ মালিকীস্বত্ব আৰু পৰিচালনাৰ দিশত ব্যক্তিগত ক্ষেত্ৰৰ অন্তৰ্ভুক্তিকে ব্যক্তিগতকৰণ প্ৰক্ৰিয়া আখ্যা দিব পাৰি।



৯.৮ অধিক জানিবলৈ

১. Datt & Sundharam, (2008) “Indian Economy”; S. Chand & Company Pvt. Ltd., New Delhi.

২. Rao, C. N. Shankar, (2008) “ Sociology, Principles of Sociology with an Introduction to Social Thought”; S. Chand & Company Pvt. Ltd., New Delhi.